# 2014

## ASSAMESE

( Elective )

Paper : 5.1

**( Asomiya Kabita )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১ । এটা শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) চৰ্যাপদৰ ভাষাক কি ভাষা বুলি কোৱা হয়?

(খ) অসমীয়া সাহিত্যত মহাভাৰতীয় কবিৰূপে প্ৰসিদ্ধ কবিজনা কোন?

(গ) বিশ্বেশ্বৰ বৈদ্যাধিপৰ 'ৰংপুৰ নগৰৰ বৰ্ণনা' নামৰ কাব্যাংশ কোনখন বুৰঞ্জীৰ পৰা লোৱা হৈছে?

(ঘ) ৰঘুনাথ চৌধাৰীৰ কথা-কবিতাসমূহ কোনখন পুথিত সন্নিৱিষ্ট হৈছে?

(ঙ) নলিনীবালা দেৱীৰ কোনখন কবিতা-পুথি আধ্যাত্মিকতাৰ উজ্জ্বল নিদৰ্শন বুলি ক'ব পাৰি?

(চ) নৱকান্ত বৰুৱাৰ প্ৰথম কবিতা-পুথি 'হে অৰণ্য হে মহানগৰ' কোন চনত প্ৰথম প্ৰকাশ পাইছিল ?

(ছ) নিৰ্মলপ্ৰভা বৰদলৈৰ আত্মজীৱনীখনৰ নাম কি ?

(জ) 'নন্দোৎসৱ' কবিতাটিৰ আধাৰগ্ৰন্থ কি ?

(ঝ) কোনখন কাব্যগ্ৰন্থৰ বাবে কবি যতীন্দ্ৰনাথ দুৱৰাই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(ঞ) অসমীয়া আধুনিক কবিতাৰ জন্মদাতা কোন ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) "কাআ তৰুবৰ পঞ্চ বি ডাল।
চঞ্চল চীএ পইঠো কাল॥"

ইয়াত থকা 'কাআ' আৰু 'চীএ' শব্দ দুটি কি কি অৰ্থ প্ৰকাশ কৰিছে, লিখা।

(খ) শ্ৰীধৰ কন্দলি ৰচিত 'কাণখোৱা' কবিতাটিত শ্ৰীকৃষ্ণৰ কোন দুটি ৰূপ প্ৰকাশ পাইছে ?

(গ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কাব্যাংশত আহোম ৰজাদিনীয়া কোনটো ঘৰ আৰু পুখুৰীৰ নাম উল্লেখ আছে, লিখা।

(ঘ) "মায়া ভাওজুৰি মায়াৱীসকলে
লগাব ডিঙিত ফাঁহি ?"

এই কাব্যাংশ কোনটো কবিতাৰ ? ইয়াত মায়াৱী কোন ?

(ঙ) 'দ্ৰৌপদী' কবিতাত দ্ৰৌপদীয়ে কি সত্যৰ সহজ স্বীকাৰ কৰি গৈছে ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) শ্ৰীকৃষ্ণ জন্মৰ বতৰা পাই গোপ-গোপীসকলে নিজকে কেনেদৰে সাজি-কাচি নন্দৰ গৃহলৈ গৈছিল, 'নন্দোৎসৱ' কবিতাটিৰ আধাৰত বৰ্ণনা কৰা।

(খ) "কৈলাসকে গৈলা যথা আছে উমাপতি।
চিত্ৰলেখা হৰকে কৰিলা বহু তুতি॥"
কবিতাফাঁকিৰ অন্তৰালত থকা কথাখিনি বুজাই লিখা।

(গ) নলিনীবালা দেৱীৰ 'পৰম তৃষ্ণা' কবিতাটিত অতীন্দ্ৰিয়বাদী ভাৱধাৰা কেনেদৰে প্ৰকাশ পাইছে, চমুকৈ আলোচনা কৰা।

(ঘ) অসমীয়া কাব্য-সাহিত্যত দেৱকান্ত বৰুৱাক কি কাৰণে যুগ-সন্ধিৰ কবি বুলি কোৱা হয়? 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটিৰ আলমত বুজাই লিখা।

(ঙ) কবি নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটোৰ মাজেৰে নাৰী-মনস্তত্ত্ব কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(চ) যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' কবিতাত প্ৰতীকৰ ব্যৱহাৰ সম্পৰ্কে কি জানা, লিখা।

(ছ) 'ধৃতৰাষ্ট্ৰ-বিদুৰ সংবাদ'ত বিদুৰে ধৃতৰাষ্ট্ৰক কি কি উপদেশ দিছিল, উল্লেখ কৰা।

(জ) পুৰণি অসমীয়া কবিতা আৰু আধুনিক অসমীয়া কবিতাৰ মাজত থকা পাৰ্থক্যসমূহ থুলমূলভাৱে ব্যাখ্যা কৰা।

৪ । যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) লুইপাদৰ চমু পৰিচয় দি তেওঁৰ ৰচিত ১নং চৰ্যাগীতটিৰ মূলভাৱ লিখা ।

(খ) ৰাম সৰস্বতীৰ 'ধৃতৰাষ্ট্ৰ-বিদূৰ সংবাদ' কবিতাটিত ধৃতৰাষ্ট্ৰ আৰু বিদূৰ চৰিত্ৰ দুটি কেনে ৰূপত ফুটি উঠিছে, আলোচনা কৰা ।

(গ) ৰঘুনাথ চৌধাৰীৰ 'কেতেকী' কবিতাটো ৰোমাণ্টিক কবিতা হিচাপে বিচাৰ কৰি এটি আলোচনা যুগুত কৰা ।

(ঘ) যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' নামৰ কবিতাটিত কবিগৰাকীৰ কেনে ধৰণৰ মনোভাৱ ফুটি উঠিছে, এটি আলোচনা যুগুত কৰা ।

(ঙ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটিৰ ভাৱাৰ্থ মুকলি কৰি ইয়াত ব্যৱহাৰ হোৱা প্ৰতীক আৰু চিত্ৰকল্প সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা ।

(চ) ৰোমাণ্টিক কবিতা আৰু সাম্প্ৰতিক কবিতাৰ মাজত থকা পাৰ্থক্যবোৰ ফঁহিয়াই এটি নিবন্ধ যুগুত কৰা ।

(ছ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাৰ আধাৰত চিত্ৰলেখাই কিদৰে মায়াবিদ্যা দেখুৱাইছিল, আলোচনা কৰি দেখুওৱা ।

(জ) কাহ্নপাদৰ ১নং চৰ্যাগীতটিৰ মূলভাৱ আলোচনা কৰি চৰ্যাগীতটিৰ কবি-পৰিচয় দিবৰ যত্ন কৰা ।

★★★